প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

## তিনিদিনীয়া ভ্ৰমণ সূচীৰে বৰাক উপত্যকাত গ্ৰামোন্নয়ন মন্ত্ৰী নৱ দলে

## কাছাৰ জিলাত গ্ৰামোন্নয়ন আঁচনি ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে পৰ্যালোচনা

### 'জব কাৰ্ডৰ অধীনত সময়মতে মজুৰি প্ৰদান নকৰিলে বিষয়া-কৰ্মচাৰীয়ে নিজৰ দৰমহাৰ পৰা বিলম্ব ক্ষতিপূৰণ আদায় দিব লাগিব'—মন্ত্ৰী দলে

**শিলচৰ, ১৫ জুন ঃ** "গাঁৱৰ সৰ্বাংগীন উন্নয়ন হ'লেহে ৰাজ্যখনৰ সামগ্ৰিক উন্নয়ন সম্ভৱ। এই ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দায়িত্ব আৰু গুৰুত্ব অপৰিসীম। সেয়ে বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত ৰাজ্যৰ অৰ্থনৈতিক পৰিকাঠামো সুদৃঢ় কৰি ৰাখিবৰ বাবে অন্যান্য আঁচনিৰ লগতে বিশেষকৈ এমজিএনৰেগা আঁচনিখন অতি পৰিকল্পিতভাৱে আৰু ফলপ্ৰসূভাৱে ৰূপায়ণ কৰিব লাগিব।"—শিলচৰৰ বংগ ভৱন প্ৰেক্ষাগৃহত কাছাৰ জিলাৰ গ্ৰামোন্নয়নৰ কাম-কাজৰ অগ্ৰগতিৰ বুজ লোৱাৰ উদ্দেশ্যে আজি অনুষ্ঠিত হোৱা পৰ্যালোচনা সভাত উপস্থিত থকা জিলাখনৰ সকলো ক্ষেত্ৰীয় বিষয়াক উদ্দেশ্যি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়।

তেওঁ লগতে কয় যে বৰ্তমান গ্ৰামাঞ্চলত যিসকল লোক কৰ্মহীন হৈ বহি থাকিবলগীয়া হৈছে, তেওঁলোক সকলোকে এমজিএনৰেগাৰ জৰিয়তে কৰ্মসংস্থাপন দিবৰ বাবে পৰ্যাপ্ত সংখ্যক আঁচনি সাজু কৰি ৰখাৰ লগতে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি ইচ্ছুকসকলক তৎকালীনভাৱে জবকাৰ্ড প্ৰদান কৰি কাম দিয়াৰ ব্যৱস্থা কৰিব লাগে। ইতিমধ্যে বিভিন্ন ঠাইৰ পৰা নিজ গাঁৱলৈ উভতি অহা লোকসকলৰ তথ্য সংগ্ৰহৰ বাবে বিভাগে লোৱা পদক্ষেপ সুচাৰুৰূপে সম্পন্ন কৰি তেওঁলোককো সুবিধা অনুসৰি এমজিএনৰেগা, পিএমএৱাই-জি আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ কামত নিয়োজিত কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। এইক্ষেত্ৰত সকলো কাম যাতে যতি নপৰাকৈ সম্পূৰ্ণ কৰিব পাৰি তাৰ বাবে জিলা উপায়ুক্তকে ধৰি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াক তৎপৰতাৰে তদাৰক কৰিবলৈ নিৰ্দেশ দিয়ে।

তদুপৰি এমজিএনৰেগাৰ কামত মহিলাসকলৰ অংশগ্ৰহণ ৫০শতাংশলৈকে বঢ়োৱাৰ পদক্ষেপ ল'বলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি এমজিএনৰেগাৰ অধীনত ইতিমধ্যে গ্ৰহণ কৰা আঁচনিসমূহ অহা এমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

সময়মতে মজুৰি প্ৰদান কৰাটো নিশ্চিত কৰাৰ লগতে অহা দহ দিনৰ ভিতৰত জব কাৰ্ড আৰু হিতাধিকাৰীৰ বেংক একাউণ্টপৰীক্ষণ প্ৰক্ৰিয়া সমাপ্ত কৰিবলৈও তেওঁ কঠোৰ নিৰ্দেশনা দিয়ে। সময়মতে মজুৰি প্ৰদান নকৰিলে বিষয়া-কৰ্মচাৰীয়ে নিজৰ দৰমহাৰ পৰা বিলম্ব ক্ষতিপূৰণ আদায় দিব লাগিব বুলিও তেওঁ সকিয়াই দিয়ে। কাৰিকৰীভাৱে নাকচ হোৱা মজুৰি প্ৰদানৰ বিষটো তৎকালীনভাৱে সমাধা কৰি অহা ১৫ দিনৰ ভিতৰত এই মজুৰি প্ৰদান নিশ্চিত কৰিবলৈও মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। তদুপৰি আঁচনি গ্ৰহণৰ ক্ষেত্ৰত প্ৰাকৃতিক সম্পদ ব্যৱস্থাপনা আৰু কৃষি ভিত্তিক আঁচনিৰ ৬৫ আৰু ৬০ শতাংশৰ অনুপাত বাধ্যতামূলকভাৱে মানি চলিবলৈও তেওঁ নিৰ্দেশ দিয়ে যাতে সামগ্ৰী ক্ৰয়ৰ বাবে ভাৰত চৰকাৰৰ পৰা পাবলগীয়া পুঁজি পোৱাত কোনো অসুবিধা নহয়।

সভাত বিভাগৰ দ্বাৰা ৰূপায়িত অন্যান্য আঁচনি যেনে প্ৰধান মন্ত্ৰী আৱাস যোজনা গ্ৰামীণ (পিএমএৱাই-জি), ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি (এনএছএপি), চতুৰ্দশ বিত্তীয় আয়োগ, পঞ্চায়তৰ

নিজা ৰাজহ সংগ্ৰহৰ ব্যৱস্থা আদিৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (এএছআৰএলএম)ৰ কাম-কাজ সম্পৰ্কত বিশদভাৱে পৰ্যালোচনা কৰা হয়।

সভাত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কাই জিলাখনত গ্ৰামোন্নয়ন আঁচনিসমূহৰ ৰূপায়ণ সম্পৰ্কত বিতং তথ্য উপস্থাপন কৰে। ইয়াৰ ভিত্তিত মন্ত্ৰী দলেয়ে বিভিন্ন আঁচনিৰ ৰূপায়ণ খৰতকীয়া কৰিবৰ বাবে ক্ষেত্ৰীয় পৰ্যায়ত সন্মুখীন হৈ থকা অসুবিধাসমূহৰ বুজ লোৱাৰ লগতে এই অসুবিধাসমূহ দূৰীকৰণৰ অৰ্থে বিভিন্ন পদক্ষেপ লোৱাৰ বাবে পৰামাৰ্শ আগবঢ়ায়। তদুপৰি প্ৰতিটো আঁচনিৰ আধৰুৱা কামসমূহ সম্পূৰ্ণ কৰিবৰ বাবে সময় নিৰ্দ্ধাৰিত কৰি দিয়ে।

পিএমএৱাই-জিৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায়ৰ বাকী থকা আৱাস গৃহসমূহ দুমাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশনা দি ভূমিহীন পৰিয়ালসকলৰ বাবে ভূমি প্ৰদানৰ ব্যৱস্থা কৰিবলৈ জিলা উপায়ুক্তক নিৰ্দেশ দিয়ে। তদুপৰি পিএমএৱাই-জিৰ হিতাধিকাৰীসকলে এমজিএনৰেগাৰ অধীনত পাবলগীয়া ৯৫ দিনৰ মজুৰি ১৫ দিনৰ ভিতৰত প্ৰদান কৰিবলৈও নিৰ্দেশ দিয়ে।

জিলাখনৰ ৰাজহুৱা বিত্তীয় ব্যৱস্থাপনা পদ্ধতি (পিএফএমএছ)ত পঞ্জীয়ণ নোহোৱা এনএছএপিৰ অধীনৰ হিতাধিকাৰীৰ তথ্যসমূহ এসপ্তাহৰ ভিতৰত পুনৰীক্ষণ কৰি যাৱতীয় ব্যৱস্থা লোৱাৰ লগতে কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি দুখনত গাঁৱৰ লগতে নগৰ অঞ্চলৰ হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে।

আনহাতে জিলাখনৰ সমূহ পঞ্চায়তে চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত লাভ কৰা টকাৰে ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰি অহা তিনিমাহৰ ভিতৰত এই পুঁজি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়ে।

আনহাতে এএছআৰএলএমৰ অধীনৰ আত্মসহায়ক গোটসমূহৰ বাকী থকা বেংক একাউণ্টসমূহ খোলাৰ বাবে জিলা উপায়ুক্ত আৰু মুখ্য কাৰ্যবাহী বিষয়াক আগভাগ ল'বলৈ মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। আনহাতে সকলো গাঁও পঞ্চায়তকে ২,০০০ কৈ মাস্ক কিনিবলৈ ইতিমধ্যে দিয়া নিৰ্দেশ তৎকালীনভাৱে কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিয়ে।

আজিৰ পৰ্যলোচনা সভাত ধলাই সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ পৰিৱেশ আৰু বন, মীন আৰু আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্য, শিলচৰ সংসদীয় সমষ্টিৰ সাংসদ ডাঃ ৰাজদ্বীপ ৰয়, সোণাই সমষ্টিৰ বিধায়ক তথা অসম বিধান সভাৰ উপাধ্যক্ষ আমিনুল হক লস্কৰ আৰু লখিপুৰ, বৰখলা, উদাৰবন্দ, শিলচৰ, কাটিগড়া সমষ্টিৰ বিধায়ক ক্ৰমে ৰাজদ্বীপ গোৱালা, কিশোৰ নাথ, মিহিৰ কান্তি চোম, দিলীপ পাল আৰু অমৰ চান্দ জৈন, কাছাৰ জিলা পৰিষদৰ সভাপতি অমিতাভ ৰায়, কাছাৰ জিলাৰ উপায়ুক্ত কিৰ্তী জলি, কাছাৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া দ্বীপশিখা দে উপস্থিত থাকে। সভাত মন্ত্ৰী, সাংসদ আৰু বিধায়কসকলে বিভিন্ন পৰামৰ্শ আগবঢ়ায়।

আজিৰ পৰ্যালোচনা সভাত উপস্থিত থাকি বিভাগৰ আয়ুক্ত হেমেন দাসে জনপ্ৰতিনিধিসকলে আগবঢ়োৱা পৰামৰ্শসমূহ বিধিসন্মতভাৱে কাৰ্যকৰী কৰিব বুলি অৱগত কৰি গ্ৰামোন্নয়নৰ আঁচনিসমূহৰ ফলপ্ৰসূ ৰূপায়ণৰ বাবে আজিৰ সভাত উত্থাপিত বিষয়সমূহৰ বিতং পৰ্যালোচনাৰ বাবে বিভাগৰ বিষয়াসকলৰ এটি সজাতিদল পুনৰ প্ৰেৰণ কৰিব বুলি অৱগত কৰে। অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অতিৰিক্ত  মিছন সঞ্চালক ক্ষিতিশ পেগুকে ধৰি বিভাগৰ অন্যান্য বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/১৫-০৬-২০২০*







UNDER CACHAR ZILLA PARISHAD
BY SRI NABA KUMAR DOLEY
HON'BLE MINISTER
PANCHAYAT AND RURAL DEVELOPMENT DEPARTMENT ETC.
GOVT. OF ASSAM
VENUE : SILCHAR :: DATE 15TH JUNE 2020